**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 0900 Hrs.

# Assamese Morning Bulletin
## Headlines

১। ৰাজ্যসভাত প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত। বিধেয়কখনৰ সপক্ষে ১২৮ গৰাকী সদস্য আৰু বিপক্ষে ৯৫ গৰাকী সদস্যৰ ভোটদান।

২। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা আৰম্ভ।

৩। প্ৰবীণ অভিনেতা আৰু পৰিচালক মনোজ কুমাৰৰ ৮৭ বছৰ বয়সত মুম্বাইত দেহাৱসান।

৪। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫০০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা স্থগিতাদেশ প্ৰত্যাহাৰ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত ছান ৰাইজাৰ্ছ হায়দৰাবাদ ৮০ ৰানত পৰাস্ত।

0000000

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সংসদত গৃহীত হৈছে। ৰাজ্যসভাই প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা বিধেয়কখনত অনুমোদন জনায়। উচ্চ সদনত ১২৮ গৰাকী সদস্যই সংশোধনী বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰে। লোকসভাত ইতিমধ্যে বিধেয়কখন গৃহীত হৈছে।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ ব্যৱস্থা আছে।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে মুছলমান সম্প্ৰদায়ৰ দুখীয়া লোকসকল বিধেয়কখনৰ পৰা উপকৃত হ'ব আৰু ইয়াৰ পৰা এগৰাকী মুছলমানৰো ক্ষতি নহয়। তেওঁ কয়, যে বিধেয়কখনে ৱক্‌ফ সা-সম্পত্তি কোনো ধৰণে হস্তক্ষেপ নকৰে। নৰেন্দ্ৰ মোদী চৰকাৰে সবকা সাথ, সবকা বিকাশ দৃষ্টিভংগীৰে কাম কৰি আহিছে আৰু চৰকাৰখনে কোনো সম্প্ৰদায়ৰ সৈতে ভেদভাৱ নকৰে বুলি শ্ৰীৰিজিজুৱে মন্তব্য কৰে। তেওঁ কয়, যে যুটীয়া সংসদীয় সমিতিয়ে সাংসদসকলৰ মতামত গুৰুত্ব সহকাৰে বিবেচনা কৰিছে আৰু তেওঁলোকৰ দিহা-পৰামৰ্শও বিধেয়কখনত অন্তৰ্ভুক্ত কৰা হৈছে।

0000000

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা চলি আছে। গোৱালপাৰা জিলাৰ অন্তৰ্গত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ ১৯টা পৰিষদীয় সমষ্টিৰ ভোটগণনা পুৱা ৮ বজাৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজত জিলা আয়ুক্ত কাৰ্যালয়ত চলি আছে। ভোটগণনা সন্দৰ্ভত আমাক জনাইছে গোৱালপাৰাৰ পৰা আমাৰ সংবাদদাতা ৰছিদুল হুছেইনে-

**বাইট**

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে গোৱালপাৰা জিলাত ২০টা সমষ্টি আছিল যদিও ইয়াৰে এটা সমষ্টিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত ১৯টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। জিলাখনত আজি ৫২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব।

কামৰূপ জিলাৰ অন্তৰ্গত ১৪টা পৰিষদীয় সমষ্টিৰ ভোটগণনা আমিনগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত চলি আছে। ভোটগণনা সন্দৰ্ভত সবিশেষ জনাইছে কামৰূপ জিলাৰ আমাৰ সংবাদদাতা কৌশিক দাসে -

**বাইট**

০০০০০০

ৰাজ্যত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছে।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আয়ুক্ত জয় শিৱানীয়ে জিলাখনত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দল, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাইজৰ সহযোগিতা কামনা কৰে।

শিৱসাগৰ জিলাতো নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্তই এখন সংবাদমেল আয়োজন কৰি জিলাখনৰ ৫টা আঞ্চলিক পঞ্চায়ত, ১২ খন জিলা পৰিষদৰ ৮২টা গাঁও পঞ্চায়তৰ তথ্য সদৰি কৰে।

ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথে কালি পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আয়োজন কৰি জিলাখনৰ মুঠ ১২৮ খন গাঁও পঞ্চায়তৰ লগতে ২০ খন জিলা পৰিষদ আৰু ১০ খন আঞ্চলিক গাঁও পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে। এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'বলগীয়া জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ১০ লাখ ৪৩ হাজাৰ ১৯৩ জন বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

প্ৰবীণ অভিনেতা আৰু পৰিচালক মনোজ কুমাৰৰ আজি পুৱা মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। বলিউদৰ কিংবদন্তি অভিনেতাগৰাকী তেওঁৰ দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ বাবে ভাৰত কুমাৰ নামেৰে জনাজাত আছিল। ভাৰতীয় চিনেমালৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে তেওঁক পদ্মশ্ৰী আৰু দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হৈছে।

প্ৰয়াত কুমাৰে বলিউদত দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ এটা নতুন ধাৰা সৃষ্টি কৰিছিল আৰু উপকাৰ, পূৰৱ ঔৰ পশ্চিম আৰু ক্ৰান্তিৰ লেখীয়া কালজয়ী কথাছবিৰে দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হৈছিল। অভিনেতাগৰাকীৰ আন চলচ্চিত্ৰসমূহৰ ভিতৰত পত্থৰ কে চনম, চৌৰ, সন্ন্যাসী আৰু ৰ'টি, কপড়া ঔৰ মকান অন্যতম।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ অসম বৈভৱ সন্মান আগবঢ়োৱা হয়। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ এছ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ পূৰৱী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হয়।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২ গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠান কলিয়াবৰৰ

চোৰেং এহেম, তিনিচুকীয়াৰ ইকো-ডেভেলপ ছ'চাইটী আৰু নগাঁৰৰ হাতীবন্ধুলৈ অসম গৌৰৱ সন্মান আগবঢ়োৱা হয়। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বঁটা প্ৰাপকসকলক শুভেচ্ছা জ্ঞাপন কৰে।

**বাইট**

উল্লেখযোগ্য যে প্ৰতিৰক্ষা, শিক্ষা, বিজ্ঞান প্ৰযুক্তি, কলা-সংস্কৃতি, ক্ৰীড়া, হস্তশিল্প, জনসেৱা, কৃষি আৰু সহযোগী খণ্ড, উদ্যমিতা, পৰিবেশ পৰ্যটন, বন্যপ্ৰাণী সংৰক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ সন্মাননৰ স্বীকৃতিস্বৰূপে ২১ গৰাকী বৰেণ্য ব্যক্তি, এখন আদৰ্শ গাঁও আৰু এটা প্ৰকৃতিপ্ৰেমী সংস্থালৈ ২০২৪ বৰ্ষৰ অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা প্ৰদান কৰা হয়।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫০০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা স্থগিতাদেশৰ নিৰ্দেশ খাৰিজ কৰিছে। পদসমূহৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণৰ অন্তত ন্যায়ালয়ে এই ৰায় দিয়ে। ইয়াৰ পূৰ্বে এজনীয়া বিচাৰপীঠে পদসমূহৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত স্থগিতাদেশ জাৰি কৰিছে। ৰাজ্য চৰকাৰে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি পূৰ্বৰ স্থগিতাদেশ খাৰিজ কৰে। শিক্ষা বিভাগে যোৱা ২০ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ প্ৰথম পৰ্যায়ৰ নথি পৰীক্ষণ সম্পূৰ্ণ কৰিছিল আৰু ১ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণৰ দিন ধাৰ্য কৰা হৈছিল। কিন্তু ন্যায়ালয়ে দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত স্থগিতাদেশ জাৰি কৰাত নিযুক্তি প্ৰক্ৰিয়া স্থবিৰ হৈ পৰে। অৱশেষত ন্যায়ালয়ে এই স্থগিতাদেশ আঁতৰোৱাত ৫ হাজাৰ ৫০০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া পুনৰ আৰম্ভ হোৱাটো নিশ্চিত হৈছে।

০০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতত ৰাজ্যিক অসামৰিক সন্মান প্ৰদান, আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতীয় সামগ্ৰীৰ ওপৰত ২৬ শতাংশ শুল্ক আৰোপ কৰা আৰু পঞ্চায়ত নিৰ্বাচনৰ বাতৰিয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰা দেখা গৈছে। **দৈনিক অসম** কাকতে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা আৰু মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতীয় সামগ্ৰীৰ ওপৰত ২৬ শতাংশ শুল্ক আৰোপ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি প্ৰায় আটাইকেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। ক্ৰিকেটাৰ শচীন তেণ্ডুলকাৰে মেঘালয় ভ্ৰমণলৈ অহাৰ বাতৰিক 'শ্বিলং, কাজিৰঙা ফুৰিবলৈ সপৰিয়ালে তেণ্ডুলকাৰ' শিৰোনামেৰে **আমাৰ অসম** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে বেংককত প্ৰধানমন্ত্ৰী মোদীক ৰাজকীয় আদৰণি জনোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীৰ থাইলেণ্ড ভ্ৰমণৰ এটা বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে '২৩ বৰেণ্য ব্যক্তি - প্ৰতিষ্ঠানলৈ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান' শিৰোনামেৰে কালি ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান অনুষ্ঠানৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতে উচ্চতম ন্যায়ালয়ে পশ্চিম বংগত ২৫ হাজাৰ ৭৫৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ নিযুক্তি বাতিল কৰাৰ বাতৰিক 'SC annuls West Bengal school appointments' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৫ হাজাৰ ৭২৯ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া গুৱাহাটী ৰিং ৰোডৰ বাবে গুজৰাটৰ এখন ফাৰ্মৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰাৰ বাতৰিক মুখ্য বাতৰি ৰূপে প্ৰকাশ কৰা হৈছে। **দা টাইমছ অব ইণ্ডিয়া** কাকতে উচ্চতম ন্যায়ালয়ত ৩০ গৰাকী ন্যায়াধীশে নিজৰ সম্পত্তিৰ তথ্য ৰাজহুৱা কৰিবলৈ সন্মতি প্ৰকাশ কৰাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টকছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে, কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২০০ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰত বতৰ ফৰকাল হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

ooooooo

**সমাপ্ত**